জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৮৪১/২০২০**

<u>বিহ্বাকটাৰ মুলুকগাঁৱত ব্ৰহ্মপুত্ৰ নৈৰ গৰাখহনীয়া এলেকা পৰিদৰ্শন কৰিলে মুখ্যমন্ত্ৰীয়ে</u>

# বন্যপ্ৰাণী স্বাস্থ্য আৰু গৱেষণা প্ৰতিষ্ঠানৰ আধাৰশিলা অহা জানুৱাৰীত স্থাপন কৰা হ'ব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২০ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি বিহ্বাকটাৰ মুলুকগাঁৱত ব্ৰহ্মপুত্ৰ নৈয়ে সৃষ্টি কৰা গৰাখহনীয়া এলেকা পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰীয়ে লগতে জলসম্পদ বিভাগৰ বিষয়াসকলৰ সৈতে গুইজানৰ পৰা ৰহমৰীয়ালৈকে জলসম্পদ বিভাগে এনডিআৰএফৰ অধীনত ১২৯ কোটি টকা ব্যয়ৰে প্ৰস্তুত কৰা ডিপিআৰ সম্পৰ্কে আলোচনা কৰে। উল্লেখ্য যে ডিব্ৰু আৰু ব্ৰহ্মপুত্ৰ নৈৰ গৰাখহনীয়াৰ পৰা ৰক্ষা কৰাৰ বাবে এই প্ৰকল্প গ্ৰহণ কৰা হৈছে। দিনজান আৰ্মি কেন্টেনমেন্টলৈ নদীৰ খহনীয়াই যি ভাবুকি কঢ়িয়াই আনিছে তাৰ বাবে দিনজান আৰ্মি কেন্টেনমেন্ট এলেকাকো এই প্ৰকল্পৰ অধীনত সামৰি লোৱা হ'ব। মুখ্যমন্ত্ৰীয়ে সেনাবাহিনীৰ বিষয়াসকলক প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ সৈতে অগ্ৰাধিকাৰ ভিত্তিত বিষয়টোৰ সন্দৰ্ভত যোগাযোগ কৰিবলৈ আহ্বান জনায়। জলসম্পদ বিভাগৰ বিষয়াসকলে মুখ্যমন্ত্ৰীক অৱগত কৰে যে দিনজানৰ পৰা বিহ্বাকটাৰ পুৰণা নামঘৰলৈ ৩১ কোটি টকা ব্যয় সাপেক্ষে হাতত লোৱা খহনীয়া প্ৰতিৰোধ আঁচনিৰো প্ৰশাসনিক অনুমোদন হ'লে সোনকালে নিৰ্মাণ কাৰ্য আৰম্ভ কৰা হ'ব।

আজিৰ এই পৰিদৰ্শনৰ সময়ত বিধায়কসকল ক্ৰমে ঋতুপৰ্ণ বৰুৱা, বিনোদ হাজৰিকা, প্ৰশান্ত ফুকন, উপাযুক্ত পল্লৱ গোপাল ঝা, আৰক্ষী অধীক্ষক প্ৰতীক থুবে, জলসম্পদ বিভাগৰ মুখ্য অভিযন্ত্ৰা প্ৰমুখ্যে বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

ইয়াৰ পিছত মুখ্যমন্ত্ৰীয়ে বিহ্বাকটাৰ ইতিহাসপ্ৰসিদ্ধ বৰনামঘৰত চলি থকা বিভিন্ন কামৰো বুজ লয়। মুখ্যমন্ত্ৰীয়ে লগতে বিহ্বাকটাত বন্যপ্ৰাণী স্বাস্থ্য আৰু গৱেষণা প্ৰতিষ্ঠানৰ প্ৰস্তাৱিত ভূমি পৰিদৰ্শন কৰে। তেওঁ লগতে ভৱিষ্যতে এই প্ৰতিষ্ঠানলৈ ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ পৰা আহিব পৰা ভাবুকিৰ প্ৰতি লক্ষ্য ৰাখি মথাউৰি নিৰ্মাণৰ বাবে জলসম্পদ বিভাগৰ লগত আলোচনা কৰি প্ৰস্তাৱ তৈয়াৰ কৰিবলৈও কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে বন্যপ্ৰাণী স্বাস্থ্য আৰু গৱেষণা প্ৰতিষ্ঠানৰ আধাৰশিলা অহা জানুৱাৰী মাহত স্থাপন কৰা হ'ব। ৰাষ্ট্ৰীয় পৰ্যায়ৰ এই প্ৰতিষ্ঠানে ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ জীৱ-জন্তুৰ নিৰাপত্তা আৰু সুৰক্ষা প্ৰদানৰ লগতে সংকটকালীন সময়ত উদ্ধাৰ হোৱা জীৱ-জন্তুৰ পৰিচৰ্যা আৰু গৱেষণাৰ কাম কৰিব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে দিহিং-পাটকাইক ৰাষ্ট্ৰীয় উদ্যান হিচাপে গঢ়ি তোলাৰ বাবে সিদ্ধান্ত লোৱা হৈছে আৰু ইয়াৰ বাবে যাৱতীয় প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰা হৈছে।

**সুঃমিঃকঃ / পুঃডেঃ / বঃভাঃ**
**২০/১২/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in